মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, APRIL 25, 2024 ■ বৃহস্পতিবাৰ।। ১২ বহাগ, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ১১৫ Guwahati, Assam ।। মূল্যঃ এটকা

৩ পৃষ্ঠাত
## পত্নীৰ মৃত্যুৰ ব্যথা সহিব নোৱাৰি আত্মঘাতী স্বামী



৭ পৃষ্ঠাত
## মুখ্যমন্ত্ৰীয়ে আজমল চাচাৰ পিঠি খজুৱাই দিয়ে! অখিল গগৈৰ মন্তব্য



পথচাৰীক গচকি আহত কৰি ৰক্তাক্ত হৈ দৌৰিছে কাবুৰ বাহিৰলৈ যোৱা সেনাবাহিনীৰ ঘোঁৰা, লণ্ডনৰ ৰাজপথত বুধবাৰে

# নিৰ্বাচন মানেই যেন এতিয়া সম্পত্তিৰ পাহাৰ গঢ়া নেতাৰহে খেল!

## দ্বিতীয় পৰ্যায়তো দপদপনি কোটিপতি প্ৰাৰ্থীৰঃ এডিআৰ





**নতুন দিল্লী, ২৪ এপ্ৰিলঃ** ভাৰতীয় ৰাজনীতিত প্ৰভাৱ বাঢ়িছে ধনশক্তিৰ। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ তুলনাত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ৰণাঙ্গনত নামিছে অধিক ধনী প্ৰাৰ্থী। দ্বিতীয় পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰা ১১৯২গৰাকী প্ৰাৰ্থীয়ে গড়ে ৫.১৭ কোটি টকাৰ সম্পত্তি ঘোষণা কৰিছে। আনহাতে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা এই সকল প্ৰাৰ্থীৰ প্ৰতি তিনিজনৰ ভিতৰত এজনেই হৈছে কোটিপতি। অন্যহাতে ১০ জন ধনী প্ৰাৰ্থীৰ ভিতৰত সৰ্বাধিক ৫ জনেই শেষাংশ ২ পৃষ্ঠাত

৮ পৃষ্ঠাত
## অহা ৫০ বছৰলৈ শাসনলৈ নাহে কংগ্ৰেছ চৰকাৰঃ মুখ্যমন্ত্ৰী

৪ পৃষ্ঠাত
## চৰকাৰী নিৰ্দেশ নমনা দুই এচিএছ বিষয়া পিংকী, ঝৰ্ণাজ্যোতিক নিলম্বন

## মঞ্চতে ঢলি পৰিল কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী

**মুম্বাই, ২৪ এপ্ৰিলঃ** নিৰ্বাচনী প্ৰচাৰৰ মাজতে হঠাৎ মঞ্চৰ ওপৰতে ঢলি পৰিল কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী। মঞ্চত ভাষণ প্ৰদান কৰি শেষাংশ ৩ পৃষ্ঠাত

## উপমন্যুৰ আশংকা

## চাকমাই মাতিব বিপদ


**ই-সংবাদ, মৰিগাওঁ, ২৪ এপ্ৰিলঃ** কেন্দ্ৰীয় মন্ত্ৰী কিৰণ ৰিজিজুয়ে চাকমা-হাজং জনগোষ্ঠীৰ লোকক অসমত সংস্থাপন কৰাৰ সম্পৰ্কে ঘোষণা শেষাংশ ৩ পৃষ্ঠাত

## আকৌ উত্তপ্ত মণিপুৰ, ৩টাকৈ বিস্ফোৰণ

**ইম্ফল, ২৪ এপ্ৰিলঃ** লোকসভা নিৰ্বাচন চলি থকাৰ সময়তে পুনৰ উত্তপ্ত হৈ পৰিল উত্তৰ-পূৱৰ ৰাজ্য মণিপুৰ। যোৱা ৩ মে'ৰ পৰাই জাতিগত হিংসাই জ্বলাই দিয়া জুইকুৰা শেহতীয়া শেষাংশ ২ পৃষ্ঠাত

## কংগ্ৰেছক আক্ৰমণ

## এলআইচিৰ টেগলাইনেৰে দিলে ভাষণ



**নতুন দিল্লী, ২৪ এপ্ৰিলঃ** 'জিন্দেগী কে সাথ ভী, জিন্দেগী কে বাদ ভি'- ভাৰতীয় জীৱন বীমা নিগম অৰ্থাৎ এল আই চিৰ এই বিজ্ঞাপন বাৰ্তাকে ব্যৱহাৰ কৰি এইবাৰ কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্বাচন মানেই যেন

হৈছে কৰ্ণাটকৰ। ইলেকচন ৱাচ এডিআৰৰ তথ্য অনুসৰি নিজৰ ওপৰত সৰ্বাধিক ঋণ ঘোষণা কৰা দহজন প্ৰাৰ্থীৰ ভিতৰতো ৬জনেই কৰ্ণাটকৰ। ৩০০ কোটি টকাৰ মুঠ ঋণ ঘোষণা কৰিছে ৩গৰাকী ধনী প্ৰাৰ্থীয়ে। তথ্য অনুসৰি, ৫৯৩ কোটি টকাৰ ঘোষিত সম্পত্তিৰে এইবাৰ লোকসভা নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়াইছে কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰৰ ভাতৃ ডি কে সুৰেশে। এইবাৰৰ নিৰ্বাচনত প্ৰতিত্বন্দ্বিতা আগবঢ়োৱা দ্বিতীয় ধনী প্ৰাৰ্থীজনো হৈছে ডি কে সুৰেশ। কিন্তু সৰ্বাধিক ঋণ ঘোষণা কৰা প্ৰাৰ্থীসকলৰ ভিতৰত শীৰ্ষত আছে ডি কে সুৰেশ। ইলেকচন ৱাচ এডিআৰে প্ৰকাশ কৰা পৰ্যালোচনা প্ৰতিবেদন অনুসৰি দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত বাংগালুৰু গ্ৰাম্য আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা কংগ্ৰেছ প্ৰাৰ্থী ডি কে সুৰেশে শপতনামাত সৰ্বাধিক ১৫০ কোটি টকাৰ ঋণ ঘোষণা কৰিছে। অন্যহাতে মধ্যপ্ৰদেশৰ হোছাংগাবাদ আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা কংগ্ৰেছ প্ৰাৰ্থি সঞ্জয় শৰ্মাই ঘোষণা কৰিছে ৯৮ কোটি টকাৰ ঋণ। কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু মাণ্ডিয়া আসনৰ পৰা জনতা দলৰ (চেকুলাৰ) প্ৰাৰ্থী এইচ ডি কুমাৰস্বামীয়ে ৮২ কোটি টকাৰ ঋণ লৈ তৃতীয় স্থানত আছে। অৰ্থাৎ এই ৩ জন ধনী প্ৰাৰ্থীৰ মুঠ ঋণৰ পৰিমাণেই প্ৰায় ৩০০ কোটি টকা। ইলেকচন ৱাচৰ মুৰব্বী অনিল শৰ্মাই জনোৱা মতে, সৰ্বোচ্চ ঋণ ঘোষণা কৰা ১০ জন প্ৰাৰ্থীৰ ভিতৰত ৪ জন কংগ্ৰেছৰ, ৪ জন বিজেপিৰ আৰু এজন জেডি(এছ)ৰ। সাধাৰণতে ব্যৱসায়িক পটভূমি থকা প্ৰাৰ্থীসকলে অধিক ঋণ লয়। ঋণৰ ভিতৰত বেংকৰ পৰা লোৱা ব্যৱসায়িক ঋণ, ব্যক্তিগত ঋণ, চৰকাৰী সেৱাৰ বাকী থকা ধন যেনে টেলিফোন বিল, পানীৰ বিল, বিদ্যুতৰ বিল, ঘৰৰ ভাড়া, জি এছ টি, সেৱা কৰ, সম্পত্তি কৰ আদি সকলোবোৰ প্ৰাৰ্থীয়ে শপতনামাত ঘোষণা কৰিব লাগে। প্ৰণিধানযোগ্য যে, দ্বিতীয় পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ ভিতৰত আটাইতকৈ ধনী কৰ্ণাটকৰ মাণ্ডিয়া আসনৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী ভেংকটাৰমন গৌড়াই ৬২২ কোটি টকাৰ সম্পত্তি ঘোষণা কৰিছে। কিন্তু তেওঁ ২৪ কোটি টকাৰ ঋণ থকাৰ কথা ঘোষণা কৰিছে। সৰ্বোচ্চ ঋণ থকা দহজন প্ৰাৰ্থীৰ ভিতৰত তিৰুৱনন্তপুৰম, কেৰালাৰ বিজেপি প্ৰাৰ্থী আৰু কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ আৰু আই টি মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰে ঘোষিত ২১ কোটি টকাৰ ঋণ লৈ নৱম স্থানত আছে। উল্লেখ্য যে ২৬ এপ্ৰিলত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ উত্তপ্ত মণিপুৰ

কিছুদিনত শাম কাটিছিল যদিও শুকুৰবাৰে অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ ভোট গণনাৰ মাত্ৰ দুদিন পূৰ্বে ৰাজ্যখনৰ কাংপকপি জিলাত একেৰাহে সংঘটিত হয় তিনিটাকৈ বিস্ফোৰণৰ ঘটনা। মঙলবাৰে নিশা প্ৰায় ১.১৫ বজাত কাংপকপি জিলাত সংঘটিত এই তিনিটাকৈ বিস্ফোৰণত ভাঙি পৰে এখন দলং। অৱশ্যে এই বিস্ফোৰণ কাণ্ডত কোনো লোক হতাহত হোৱা নাই বুলি নিশ্চিত কৰিছে জিলা প্ৰশাসনে। ইফালে বিস্ফোৰণ কাণ্ড সংঘটিত হোৱাৰ পিছতে সমগ্ৰ অঞ্চলটো ঘেৰাও কৰি অভিযুক্তৰ সন্ধান অভিযান আৰম্ভ কৰে নিৰাপত্তাৰক্ষী বাহিনীয়ে। অৱশ্যে এতিয়ালৈকে কোনো উগ্ৰপন্থী সংগঠনে এই বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰা নাই। প্ৰসংগক্ৰমে, ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ত মণিপুৰৰ ইনা লোকসভা আসনৰ বাবে চলি থকা ভোটগ্ৰহণৰ সময়তো হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ খবৰ পোৱা গৈছিল। ভোটগ্ৰহণ কেন্দ্ৰত দুষ্কৃতিকাৰীয়ে গুলীচালনা কৰাৰ লগতে ইভিএমৰ ক্ষতিসাধন, ভোটৰ ৰিগিং আৰু ভোটাৰক ভয় দেখুওৱাৰো অভিযোগ উত্থাপন হৈছিল। আনফালে ভোটদানৰ সময়তে এগৰাকী বৰ্ষীয়ান ভোটাৰক লক্ষ্য কৰি গুলীচালনা কৰাৰো অভিযোগ উত্থাপন হৈছিল মণিপুৰত। বাতৰি অনুসৰি, প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰাই মণিপুৰৰ কাংপকপি জেনা আৰু মণিপুৰ পশ্চিমত উত্তপ্ত হৈ পৰিছে। উল্লেখ্য যে অঘটনৰ আশংকাত এইবাৰ নিৰ্বাচনী প্ৰচাৰ অভিযানো তেনেই সেৰেঙা হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এলআইচিৰ টেগলাইনেৰে

হৈ পৰিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। লোকসভা নিৰ্বাচনক লৈ চলোৱা প্ৰচাৰৰ সময়ত বুধবাৰে ছত্তীশগড়ৰ সৰগুজাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে কংগ্ৰেছৰ লুট মন্ত্ৰ হৈছে 'জিন্দেগী কে সাথ ভী, জিন্দেগী কে বাদ ভি, অৰ্থাৎ জীৱনৰ সতেও আৰু জীৱনৰ পিছতো। উল্লেখ্য যে, শেহতীয়াকৈ কংগ্ৰেছ নেতা ছেম পিট্ৰোডাই উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা বৃহৎ পৰিমাণৰ সম্পত্তিৰ ওপৰত কৰ আৰোপ কৰিবলৈ আহ্বান জনাইছিল। প্ৰধানমন্ত্ৰী মোদীয়ে নিৰ্বাচনী প্ৰচাৰ সভাত কংগ্ৰেছ নেতাগৰাকীৰ সেই মন্তব্যকে অস্ত্ৰ হিচাপে লৈ কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লয়। মোদীয়ে কয়, "আপুনি জীয়াই থকালৈকে আপোনাৰ পৰা কৰ সংগ্ৰহ কৰা কংগ্ৰেছৰ লক্ষ্য। আনকি মৃত্যুৰ পিছত আপুনি পুত্ৰ-কন্যাৰ বাবে এৰি থৈ যোৱা সম্পত্তিৰ ওপৰত উত্তৰাধিকাৰ কৰ আৰোপ কৰা হ'ব।" মন কৰিবলগীয়া যে, ছেম পিট্ৰোডাই কৰা মন্তব্যৰ পিছতে এয়া তেওঁৰ ব্যক্তিগত মতামত বুলি স্পষ্ট কৰি দিছিল কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে। ইয়াৰ লগত কংগ্ৰেছৰ কোনো সম্পৰ্ক নাই বুলি দলটোৱে স্পষ্ট কৰি দিলেও শ্যাম পিট্ৰোডাৰ সেই মন্তব্যকে এতিয়া লোকসভা নিৰ্বাচনৰ ইছ্যু কৰি তোলা পৰিলক্ষিত হৈছে বিজেপিয়ে। উল্লেখ্য যে ছেম পিট্ৰোডা হৈছে অভাৰছীজ কংগ্ৰেছৰ সৰ্বেসৰ্বা তথা ৰাহুল গান্ধীৰ অতি ঘনিষ্ঠ নেতা। এএনআইৰে হোৱা বাৰ্তালাপত পিট্ৰোডাই আমেৰিকাৰ ইনহেৰিটেন্স আইনৰ কথা ভাৰততো চৰ্চা হব লাগে বুলি কৈছিল। এই আইন অনুযায়ী ১০ হাজাৰ বিলিয়ন ডলাৰৰো অধিক সম্পত্তিৰ গৰাকীয়ে মৃত্যুৰ পিছত এই ইনহেৰিটেন্স কৰ দিবলগীয়া হয়। ফলত ব্যক্তিজনৰ সম্পত্তিৰ ৫৫ শতাংশ চৰকাৰে লাভ কৰে। বিপৰীতে বাকী থকাখিনি উত্তৰাধিকাৰীয়ে পায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মঞ্চতে ঢলি পৰিল কেন্দ্ৰীয়

থকাৰ সময়তে হঠাৎ অসুস্থ হৈ পৰা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক লগে লগে উপস্থিত নেতা-কৰ্মীয়ে মঞ্চৰ তললৈ নমাই আনে। তাতেই তেওঁক প্ৰাথমিক চিকিৎসা প্ৰদান কৰাত চেতনা ঘূৰাই পাই পুনৰ মঞ্চলৈ উঠি আহি ভাষণ শেষ কৰে গাডকাৰীয়ে। বুধবাৰে মহাৰাষ্ট্ৰৰ যৱতমালাত সংঘটিত হয় এই ঘটনা। উল্লেখ্য যে, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ তাৰকা প্ৰচাৰক নীতিন গাডকাৰীয়ে যৱতমালা লোকসভা সমষ্টিৰ বিজেপি সমৰ্থিত প্ৰাৰ্থী ৰাজশ্ৰী পাটিলৰ হৈ প্ৰচাৰ চলাই সম্বোধন কৰিছিল এখন জনসভা। সেই সভাতে ভাষণ প্ৰদান কৰাৰ সময়তে অসুস্থ হৈ পৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকী। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ ভাষণৰ লাইভ প্ৰদৰ্শন কৰি থকাৰ সময়তে সংঘটিত হয় এই ঘটনা। ইফালে মন্ত্ৰীগৰাকী অসুস্থ্ হৈ পৰাৰ পিছতে তেওঁক মঞ্চৰ তললৈ নমাই আনি সভাস্থলীত উপস্থিত থকা চিকিৎসক এজনে চিকিৎসা আৰম্ভ কৰে। প্ৰাথমিক চিকিৎসাৰ অন্তত চেতনা ঘূৰাই পায় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। চিকিৎসকগৰাকীৰ মতে, অত্যন্ত গৰমৰ বাবে গাডকাৰীয়ে সাময়িকভাৱে চেতনা হেৰুৱাই পেলায়। অৱশ্যে কিছু মুহূৰ্তৰ ভিতৰতে তেওঁৰ চেতনা ঘূৰি আহে। বৰ্তমান তেওঁ সুস্থ বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পত্নীৰ মৃত্যুৰ ব্যথা সহিব

**নতুন দিল্লী, ২৪ এপ্ৰিলঃ** বিয়াৰ মাত্ৰ ৬ মাহ পিছতে পত্নীৰ আকস্মিক মৃত্যুৰ ব্যথা সহিব নোৱাৰি আত্মঘাতী হ'ল এজন যুৱক। উত্তৰ প্ৰদেশত সংঘটিত হোৱা এই কৰুণ ঘটনাই শোকবিহ্বল কৰি তুলিছে বহুতকে। আত্মঘাতী যুৱকজনৰ পৰা এখন চুইচাউড নোটো উদ্ধাৰ কৰিছে আৰক্ষীয়ে। জানিব পৰা মতে, যোগীৰাজ্যৰ হৰদয় দিলাৰ ৩৬ বৰ্ষীয় শিক্ষক যোগেশ কুমাৰ মাত্ৰ ছমাহ পূৰ্বে বিবাহ পাশত আৱদ্ধ হৈছিল মণিকৰ্ণিকা নামৰ এগৰাকী যুৱতীৰ সৈতে। আৰক্ষী সূত্ৰৰ মতে, সোমবাৰে সুৰছা থানা এলেকাৰ লক্ষ্ণৌ-হৰদয় ঘাইপথত সংঘটিত এক পথ দুৰ্ঘটনাত মৃত্যু ঘটে মণিকৰ্ণিকাৰ। ইফালে পত্নীৰ মৃত্যুৰ খবৰ লাভ কৰি শোকত ভাগি পৰা স্বামী যোগেশেও অৱশেষত চিপ লৈ আত্মহত্যা কৰে। সুৰছা আৰক্ষী থানাৰ এছ এইচ অ' ইন্দ্ৰেশ কুমাৰ যাদৱে জনোৱা মতে, পেছাত এগৰাকী নাৰ্ছ মণিকৰ্ণিয়াই সোমবাৰে স্কুটিৰে কৰ্তব্যৰত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ গৈ থকা সময়তে লক্ষ্ণৌ-হৰদয় ঘাইপথত বিপৰীত দিশৰ পৰা আহি থকা আন এখন বাহনৰ সৈতে সংঘৰ্ষ ঘটে। এই দুৰ্ঘটনাত গুৰুতৰভাৱে আহত যুৱতীগৰাকীক লগে লগে হাস্পতাললৈ নিয়া হয় যদিও পৰৱৰ্তী সময়ত চিকিৎসকে মৃত ঘোষণা কৰে। আনহাতে পত্নীৰ বিয়োগৰ খবৰ লাভ কৰি হাস্পতাললৈ যোৱা যোগেশে ঘৰলৈ উভতি অহাৰ পিছতে নিজৰ কোঠাত চিপ লৈ আত্মহত্যা কৰে বুলি জানিবলৈ দিয়ে পৰিয়ালৰ লোকে। ইফালে পৰৱৰ্তী সময়ত আৰক্ষী যোগেশ কুমাৰৰ ঘৰত উপস্থিত হৈ তেওঁৰ মৃতদেহটোৰ লগতে এখন চুইচাইড নোট উদ্ধাৰ কৰে। য'ত লিখা আছিল "আমি একেলগে থাকিম, একেলগে মৰিম।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাকমাই মাতিব বিপদ

কৰাৰ পিছতেই এই সম্পৰ্কত সৰৱ হৈ পৰিছে প্ৰব্ৰজন বিৰোধী মঞ্চ। চাকমা হাজঙৰ সংস্থাপনে উজনি অসমৰ জনগাঁঠনিত ব্যাপক প্ৰভাৱ পেলাব বুলি উল্লেখ কৰি সংগঠনটোৰ আহ্বায়ক তথা উচ্চতম ন্যায়ালয়ৰ অধিবক্তা উপমন্যু হাজৰিকাই এক প্ৰেছ বিবৃতি যোগে কয় যে, "এতিয়ালৈকে অসমলৈ ঘটা বাংলাদেশী প্ৰব্ৰজনৰ প্ৰভাৱ প্ৰত্যক্ষৰূপত নামনি অসমত পৰিছে। কিন্তু শেহতীয়াকৈ অৰুণাচলত অস্থায়ী ভাৱে বসবাস কৰা চাকমা হাজং সকলক অসমলৈ স্থানান্তৰ কৰা নিৰ্ণয়ৰ প্ৰভাৱ সম্পূৰ্ণ উজনি অসমত পৰিব, বিশেষকৈ অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী তিনিচুকীয়া, লখিমপুৰ, চৰাইদেউ, ধেমাজি, বিশ্বনাথ, শোণিতপুৰ, ওদালগুৰি, জিলাৰ লোকসকল এতিয়া সজাগ হোৱাৰ প্ৰয়োজন। ইতিমধ্যে অৰুণাচল প্ৰদেশৰ পৰা মিয়া লোকসকলক খেদি পঠাওতে ,সেইসকল আহি লখিমপুৰৰ নাওবৈছাত সংস্থাপন হয়,যাৰ বাবে উজনি অসমত প্ৰথম বাৰৰ কাৰণে মিয়া সংখ্যাগৰিষ্ঠ বিধানসভা সমষ্টি সৃষ্টি হয়।" হাজৰিকাই বিবৃতিটোত লগতে উল্লেখ কৰে যে, "এইবাৰ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত কিন্তু প্ৰথম বাৰৰ কাৰনে বিজেপিয়ে প্ৰব্ৰজনকাৰীৰ ক্ষেত্ৰত ধৰ্ম নিৰপেক্ষতা পালন কৰিছে, কাৰো লগত বৈষম্য কৰা নাই, যদি বৰাক উপত্যকাত পূৰ্ববংগীয় মূলৰ মুছলমান মাছমৰিয়া ময়মল সমূদায়ৰ বাবে উন্নয়ন পৰিষদ গঠন কৰিছে, ৰূপহীহাটত মন্ত্ৰী পীয়ুষ হাজৰিকাই আশ্বাস আৰু প্ৰতিশ্ৰুতি দিছে মিঞাসকলক চৰ অঞ্চলত ভূমি আবন্টন দিয়াৰ, আনফালে হিমন্ত বিশ্ব শৰ্মাই আগতিয়াকৈ মিঞাক খিলঞ্জীয়া হোৱাৰ পথ দেখুৱাই দিলে। অসমৰ খিলঞ্জীয়াৰ বাবে দুটা দুৰ্ভাগ্যজনক শিক্ষা এয়ে যে, প্ৰথম আমাৰ চুবুৰীয়া ৰাজ্যৰ নেতা সকলে নিজৰ জাতি ৰক্ষাৰ কাৰণে কাৰো লগত আপোচ নকৰে। চাকমা-হাজং সকলক ১৯৬৪ চনতে কেন্দ্ৰীয় চৰকাৰে অৰুণাচল প্ৰদেশত বসতি কৰালে কিন্তু আজি পৰ্যন্ত তেওঁলোকে স্থায়ী নাগৰিকত্ব নাপালে। যদিও ভোটাধিকাৰ পালে তথাপি অৰুণাচলৰ খিলঞ্জীয়া নেতাই অসমৰ খিলঞ্জীয়া নেতাৰ দৰে প্ৰলোভনত নপৰি, নিজৰ জাতিৰ অস্তিত্ব স্বাৰ্থ আগত ৰাখিলে। কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুয়ে কৰা ঘোষণা অনুসৰি যিহেতু "কা" অৰুণাচল প্ৰদেশত প্ৰযোজ্য নহয় সেই কাৰণে চাকমা হাজঙ সকল অৰুণাচল প্ৰদেশ এৰি অসমলৈ আনিব য'ত "কা" প্ৰযোজ্য।সুদীৰ্ঘ ৬০ বছৰ ধৰি বসতি কৰাৰ পিছতো চাকমা হাজঙ শৰণাৰ্থীৰ অৰুণাচলত কোনো স্থান নাই। আমাৰ জাতিদ্ৰোহী নেতাসকলে সকলো প্ৰব্ৰজনকাৰীক অসমত স্থান দিব যদিহে তেওঁলোকৰ ভোট আছে। দ্বিতীয়তে সকলো দল বা নেতাই প্ৰব্ৰজন কাৰী কোনো এটা চামক সমৰ্থন কৰে, যদি কংগ্ৰেছে মিঞাসকলক সমৰ্থন কৰি সংস্থাপন কৰিছে আনফালে বিজেপিয়ে হিন্দু বেংগলীক সমৰ্থন কৰিছে আৰু এতিয়া মিয়া সকলকো লগত লবলৈ উঠি পৰি লাগিছে।" উল্লেখ্য যে সংবাদমেলত চাকমাক লৈ ৰিজিজুৱে মন্তব্য কৰিছিল।

# তামুলপুৰত ষষ্ঠ বাৰ্ষিক ৰাভা বায়ছাক বিছুৰাৰ প্ৰস্তুতি

**ই-সংবাদ, তামুলপুৰ, ২৪ এপ্ৰিলঃ** নিখিল ৰাভা ছাত্ৰ সন্থা, তামুলপুৰ জিলা আৰু আঞ্চলিক সমিতিৰ উদ্যোগত আৰু আৰু ঘোগমাৰী গাঁৱ বাসী ৰ সহযোগত এই বেলি ষষ্ঠ বাৰ্ষিক ৰাভা জনগোষ্ঠীৰ "বায়ছাক্ বিছুৱা" উৎসৱ টি ঘোগমাৰী ৰাভা চুবুৰীৰ গোপাল মন্দিৰৰ খেলপথাৰত অহা ২২ বহাগ (৫মে, ২০২৪) এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰিববৈলে প্ৰস্তুতি চলোৱা হৈছে। ইতিমধ্যে ৰাভা জনগোষ্ঠীৰ বায়ছাক বিছুৱা উদযাপনৰ কাৰণে সৰঞ্জন ৰাভাক সভাপতি, দ্বীপেন ৰাভা আৰু খগেন ৰাভাক যুটীয়া সম্পাদকৰ দায়িত্ব দি এখন উদযাপন সমিতি গঠন কৰা হৈছে বুলি তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ সিং ৰাভা, সম্পাদক ভদ্ৰেশ্বৰ ৰাভা আঞ্চলিক সমিতিৰ সভাপতি ৰাজু ৰাভা আৰু ৰাহুল ৰাভা হাকাচামে জনাইছে।কেইবাটাও বঁটা প্ৰদান কৰা হয়।

# সোণাইপৰীয়া শাখা কবি সন্মিলনৰ ব'হাগী বৰণ



**ই-সংবাদ, বেৰেজীয়া, ২৪ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যৰ দৰে নগাঁও জিলাতো অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ অপাৰ আনন্দ-উল্লাস অব্যাহত আছে। নিৰ্বাচন তথা বিহুৰ উখল-মাখল পৰিৱেশৰ মাজতে পহিলা ব'হাগৰ দিনা সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত সোণাইপৰীয়া শাখা কবি সন্মিলনৰ দ্বাৰা ব'হাগী বৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সোণাপৰীয়া শাখা কবি সন্মিলনৰ বিষয়-ববীয়াসকলে জাতীয় সাজ-পাৰ পৰিধান কৰি অঞ্চলৰ কেইবাগৰাকী বিশিষ্ট নাগৰিকৰ ঘৰে ঘৰে গৈ বিহুৰ ওলগ জনোৱাৰ লগতে আশীষ গ্ৰহন কৰে। জানিব পৰা মতে, অঞ্চলটোৰ প্ৰবীন সমাজসেৱক শুকুৰাম শইকীয়া, বিশ্ব বৰ্মন, ৰেৱত বৰ্মন, শশী কান্ত নাথ, ভুবন চন্দ্ৰ নাথ, ইচ্ছাৰাম নাথ, নোমল ডেকা, প্ৰবীন কবি কেশব বৰা, শিক্ষাবিদ দেৱেন্দ্ৰনাথ শইকীয়া আৰু প্ৰবীণ নাট্যকৰ্মী দেৱ কুমাৰ বৰাক সন্মিলনৰ ফালৰ পৰা স্নেহ পত্ৰ আৰু ফুলাম বিহুৱানেৰে দীৰ্ঘায়ু কামনাৰে সম্বৰ্ধনা জনোৱা হয়। এই কাৰ্যসূচী ৰূপায়ণত বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, কবি দিলীপ শইকীয়া, সোণাইপৰীয়া শাখা কবি সন্মিলনৰ সভাপতি সঞ্জীৱ সাগৰ চৌধুৰী, সম্পাদক দেৱ বৰা, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন উপসভাপতি ৰাজেন অসমীয়া আদিয়ে অংশগ্ৰহণ কৰে।

# দুই এচিএছ বিষয়া পিংকী, ঝৰ্ণাজ্যোতিক নিলম্বন

## চৰকাৰী নিৰ্দেশ অমান্য কৰিছিল দুই বিষয়াই

**ই-সংবাদ, ২৪ এপ্ৰিলঃ** অৱশেষত চৰকাৰী নিৰ্দেশনাক অবজ্ঞা কৰা ২ এচিএছ বিষয়াক নিলম্বন কৰিছে উৰ্ধতন কৰ্তৃপক্ষই। এই বিষয়া দুগৰাকী হৈছে পিংকি দত্ত আৰু ঝৰ্ণাজ্যোতি পাটগিৰি। বিষয়া দুগৰাকীয়ে বদলি কৰা স্থানত যোগদান কৰা নাছিল। নতুন স্থানত যোগদান নকৰি অৰ্কতৃশীলভাৱে ছুটীত আছিল বুলি জানিব পৰা গৈছে। পিংকী দত্তক হাইলাকান্দিৰ এডিচি হিচাপে বদলি কৰা হৈছিল আৰু বিগত বৰ্ষৰ ৯ ডিচেম্বৰতে বদলিৰ নিৰ্দেশনা ওলাইছিল পিংকি দত্তৰ। কিন্তু ২১ ডিচেম্বৰৰ পৰা অৰ্কতৃশীলভাৱে ছুটিত আছে পিংকি দত্ত। নিলম্বনৰ সময়ত হাইলাকান্দিত থাকিব লাগিব পিংকি দত্ত। আনহাতে, নিলম্বন কৰা ঝৰ্ণাজ্যোতি পাটগিৰিক বদলি কৰা হৈছিল বিশ্বনাথলৈ। ৫ফেব্ৰুৱাৰীত ঝৰ্ণা পাটগিৰিক বদলিৰ নিৰ্দেশনা দিয়া হৈছিল। বিশ্বনাথৰ এডিচি হিচাপে বদলি কৰা হৈছিল ঝৰ্ণা পাটগিৰিক। নতুন স্থানত যোগদান নকৰি অৰ্কতৃশীলভাৱে ছুটীত আছিল ঝৰ্ণা পাটগিৰিও। জানিব পৰা মতে, নিলম্বনৰ সময়ত বিশ্বনাথত থাকিব লাগিব ঝৰ্ণাজ্যোতি পাটগিৰিয়ে।



যোৰহাটত যুঁজ সামৰি এইবাৰ নগাঁৱৰ ৰণক্ষেত্ৰত গৌৰৱ গগৈ, বুধবাৰে মৈৰাবাৰীত

## জাগীৰোডত এআইইউডিএফৰ জোৰদাৰ নিৰ্বাচনী প্ৰচাৰ

# হেলিপেডত মানুহ সোমোৱাত খঙত টিঙিৰি তুলা হ'ল আজমল

**ই-সংবাদ, মৰিগাঁও, ২৪ এপ্ৰিলঃ** ৯ নং নগাঁও লোকসভা সমষ্টিৰ এআইইউডিএফৰ প্ৰাৰ্থী আমিনুল ইছলামৰ হৈ আজি মৰিগাঁও জিলাৰ জাগীৰোডত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায় এআইইউডিএফৰ সভাপতি তথা সাংসদ বদৰুদ্দিন আজমলে। তেওঁ এখন নিৰ্বাচনী সভাত ভাষণ দিয়াৰ অন্তত সংবাদ মাধ্যমক কয় যে, প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন, গৌৰৱ গগৈয়ে সাত জনমতো ইমান টকা দেখা নাই যিমান টকা মই খৰচ কৰিছো। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দিয়া হেলিকপ্টাৰত বদৰুদ্দিন আজমলে নিৰ্বাচনী প্ৰচাৰ কৰা বুলি প্ৰদ্যুৎ বৰদলৈয়ে কৰা অভিযোগৰ প্ৰত্যুত্তৰত এই মন্তব্য আজমলৰ। হেলিকপ্টাৰেৰে আহি জাগীৰোডৰ পলাচুং খেলপথাৰত উপস্থিত হয় এআইইউডিএফৰ মুৰব্বী গৰাকী। ইফালে আজমলৰ হেলিকপ্টাৰ চাবলৈ ভিৰ হয় সাধাৰণ জনতাৰ। হেলিপেডত মানুহ সোমোৱাক লৈ তীব্ৰ খং উঠে বদৰুদ্দিন আজমলৰ। খঙত টিঙিৰি তুলা হৈ প্ৰথমে হেলিকপ্টাৰৰ পৰা নামিবলৈ অমান্তি হয় যদিও অৱশেষত নামি আহে আজমল। ভাষণ প্ৰসংগত কংগ্ৰেছ আৰু বিজেপিক কঠোৰ ভাষাৰে সমলোচনা কৰি সংখ্যালঘু ভোটাৰৰ সংখ্যা বেছি থকা নগাঁও লোকসভা সমষ্টিত মিত্ৰ প্ৰাৰ্থী জয়ী কৰিব নোৱাৰিলে নদীৰ পানীত ডুবি মৰিব লাগে বুলি তেওঁ ৰাইজক উদ্দেশ্যি ভাষণ দিয়ে।।

## পীয়ুষ হাজৰিকাই ৰাজনীতি এৰি চিনেমা বনাওক

# প্ৰদ্যুতৰ সমৰ্থনত লাহৰীঘাট, মৈৰাবাৰীত গৌৰৱৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, মৰিগাঁও, ২৪ এপ্ৰিলঃ** নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুত বৰদলৈৰ হৈ আজি মৰিগাঁও জিলাৰ লাহৰীঘাট বিধানসভা সমষ্টিৰ কাঠনিত প্ৰচাৰ চলাবলৈ আহি সাংসদ গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীয়ুষ হাজৰিকাৰ বিৰুদ্ধে সৰৱ হৈ পৰে। পীয়ুষ হাজৰিকাই গৌৰৱ গগৈয়ে বিজেপিত যোগদান কৰিবলৈ যোগাযোগ কৰিব বিচৰা বুলি কৰা মন্তব্যৰ প্ৰতিক্ৰিয়াত তেঁও কয় যে, পীয়ুষ হাজৰিকাই দুবছৰৰ পিছত ৰাজনীতি এৰি ভাল চিনেমা বনাওক। কাৰণ তেওঁৰ ডায়লগ ভাল আৰু স্ক্ৰীপ্ট ভাল। তেঁও ভাষণ প্ৰসংগত বিজেপিক তীক্ষ্ণভাৱে সমালোচনা কৰি কয়, দিল্লী দিছপুৰত শাসন কৰা বিজেপিয়ে চাৰিওফালে ভয় আৰু ত্ৰাসৰ সৃষ্টি কৰি আহিছে। বিজেপি চৰকাৰ শাসনলৈ অহাৰ পিছত চৰকাৰী স্কুল বন্ধ কৰি গাঁৱে-ভূঞে উভৈনদী হোৱাকৈ মদৰ দোকান খুলিছে। কংগ্ৰেছ চৰকাৰৰ দিনত বৃদ্ধ পেঞ্চন দিছিলোঁ, তেওঁলোকে পেঞ্চন বঢ়াব নোৱাৰিলে কিন্তু দৰবৰ দাম বৃদ্ধি কৰিলে। বিজেপি আৰু এআইডিইউএফক মিলি আছে, কাৰণ মই নামাজ পঢ়িব যোৱাৰ বাবে হিমন্ত বিশ্ব শৰ্মাই বেয়া পালে বাবে বদৰুদ্দিন আজমলেও বেয়া পায় মোক সমালোচনা কৰিলে। উক্ত সভাত গৌৰৱ গগৈৰ লগত উপস্থিত থাকে সাংসদ আব্দুল খালেক, বটদ্ৰৱাৰ বিধায়ক শিৱামণি বৰা আৰু লাহৰীঘাটৰ বিধায়ক ডাঃ আছিফ নজৰ। এই নিৰ্বাচনী সভাখনত প্ৰখৰ ৰদৰ মাজতো কেইবা সহস্ৰাধিক ৰাইজে অংশগ্ৰহণ কৰে। এই সভাতেই বাংলাত ভাষণ প্ৰদান কৰে সাংসদ আব্দুল খালেকে। এই সভাত হেলিকপ্টাৰ যোগে তিনি গগৈ উপস্থিত হ'ব বুলি প্ৰচাৰ চলাইছিল যদিও গাড়ীৰে আহি কেৱল এজন গগৈহে উপস্থিত হয় এই সভাত।




# পথ দুৰ্ঘটনাত জনপ্ৰিয় ইউটিউবাৰ অংকুৰ ৰাজৰ মৃত্যু

**ই-সংবাদ, ২৪এপ্ৰিল:** শিৱসাগৰ চহৰত বুধবাৰে নিশা সংঘটিত এক পথ দুৰ্ঘটনাত জনপ্ৰিয় ইউ টিউবাৰ, অভিনেতা তথা সামাজিক মাধ্যমত সক্ৰিয় হৈ থকা যুৱক অংকুৰ ৰাজ শৰ্মাই প্ৰাণ হেৰুৱাই। জানিবপৰা মতে আজি নিশা জনপ্ৰিয় ইউ টিউবাৰ অংকুৰ ৰাজ শৰ্মাৰ দৰিকাপাৰৰ দিশৰ পৰা শিৱসাগৰ চহৰৰ দিশে এ এছ ০৩ কিউ ৭০৪৮ নম্বৰ এখন বুলেটেৰে আহি থকা অৱস্থাত এন আৰ এল পেট্ৰল পাম্পৰ সন্মুখত পথৰ কাষত পথালিকৈ ৰখাই থোৱা এ এছ ০৪ বি চি ৪৫৮৫ নম্বৰ এখন টাটা এচি বাহনত খুন্দা মৰাত গুৰুতৰ ভাবে আহত হয়। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত অংকুৰ ৰাজক ঘটনাস্থলীত উপস্থিত থকা লোকে উদ্ধাৰ কৰি সমীপতে থকা সম্প্ৰীতি নাৰ্ছিং হোমলৈ আনে যদিও চিকিৎসক নথকা কথা দোহাই দি নাৰ্ছিং হোমখনে চিকিৎসা নকৰিলে। উপায়হীন হৈ জয়সাগৰস্থিত চিকিৎসালয়লৈ আনে যদিও চিকিৎসকে তেওঁ মৃত বুলি ঘোষণা কৰে।

## ২৮ এপ্ৰিলত

# বিনামূলীয়া অনলাইন কেৰিয়াৰ কৰ্মশালা

**ই-সংবাদ, ২৪ এপ্ৰিলঃ** ডেভেলপমেণ্ট ডিজিটেলি গ্ৰুপ নামৰ হোৱাটছএপ গোটৰ উদ্যোগত “কেৰিয়াৰ অপশ্যনছ আফটাৰ টেন এণ্ড টুৱেলভথ’ শীৰ্ষক এখন বিনামূলীয়া অনলাইন কেৰিয়াৰ কৰ্মশালা ২৮এপ্ৰিলত সন্ধিয়া ৭.৩০ বজাত আয়োজন কৰা হৈছে। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব ৰাজ্যখনৰ এগৰাকী আগশাৰীৰ কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডন বস্ক’ বিশ্ববিদ্যালয় স্কুল অৱ টেকন’লজীৰ মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগৰ মুৰব্বী ড° বুলজিৎ বুঢ়াগোহাঁই। গুগল মিটৰ যোগেদি অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাখনত যোগদান কৰিবৰ বাবে ক'ড (code) হ'ল "xvj-eswb-zuz"। এই কৰ্মশালাখনত আগ্ৰহী শিক্ষাৰ্থী তথা অভিভাৱকসকলেও অংশগ্ৰহণ কৰিব পাৰিব বুলি ‘ডেভেলপমেণ্ট ডিজিটেলি গ্ৰুপ’ গোটৰ প্ৰশাসক বিমল বৰাই জানিবলৈ দিয়ে।

# ওদালগুৰিত গাঞ্জা জব্দ



**ই-সংবাদ, ওদালগুৰি, ২৪ এপ্ৰিলঃ** সমাগত দ্বিতীয় পৰ্যায়ৰ দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ নিৰ্বাচনৰ প্ৰাকমূহুৰ্তত আজি সন্ধিয়া ওদালগুৰি চহৰত আৰক্ষীয়ে জব্দ কৰে অবৈধভাৱে সৰবৰাহ কৰা গাঞ্জা। এএছ০২-এএফ১১৪১ নম্বৰৰ এখন হোণ্ডাই চাৰিচকীয়া বাহনত কঢ়িয়াই অনা অৱস্থাত ওদালগুৰি আৰক্ষীয়ে কঠালগুৰিৰ সমীপত নিয়মীয়া তালাচীত গাঞ্জাখিনি জব্দ কৰে। জব্দকৃত গাঞ্জাখিনিৰ ওজন প্ৰায় ৪০ কেজি বুলি জানিব পৰা গৈছে। বাহনখনেৰে গাঞ্জাখিনি সৰবৰাহ কৰা অপৰাধত আৰক্ষীয়ে বাহনখনৰ পৰা এহাল যুৱক-যুৱতীকো আটক কৰে। বাতৰি লিখা পৰলৈ আৰক্ষীয়ে ঘটনা সন্দৰ্ভত এক গোচৰ ৰুজু কৰি সোধপোচৰ লগতে প্ৰাথমিক তদন্ত আৰম্ভ কৰিছে।

## ‘আজমল মুখ্যমন্ত্ৰীৰ এজেন্ট, নিজৰ স্বাৰ্থহে চিনি পায় তেওঁ’

# কংগ্ৰেছক মুকলি সমৰ্থন মৰিগাঁও জমিয়ত উলেমাৰ

**ই-সংবাদ, মৈৰাবাৰী ২৪ এপ্ৰিলঃ** নিৰ্বাচনলৈ মাজত মাত্ৰ এটা দিন বাকী। নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত এ আই ইউ ডি দলৰ বিৰুদ্ধে এইবাৰ ওলাই আহিল দলৰে প্ৰাক্তন কেন্দ্ৰীয় কমিটিৰ সাধাৰণ সম্পাদক তথা জন্মলগ্নৰে পৰা এআইইউডিএফ দলৰ সক্ৰিয় নেতা, মৰিগাঁও জিলা জমিয়ত। ধিং সমষ্টিত এআইইউডিএফ দলৰ জনপ্ৰিয়তা দিনে দিনে হ্ৰাস হোৱা পৰিলক্ষিত হৈছে। এটাৰ পিছত এটা বেয়া খবৰ আহিছে দলটিৰ বাবে। দুদিন পূৰ্বে ৰাইজৰ দলৰ নেতা মেহবুব মুক্তাৰৰ উপস্থিতিত দুশৰো অধিক এআইইউডি দলৰ সক্ৰিয় সদস্য আৰু নেতাই অনুষ্ঠানিকভাৱে ৰাইজৰ দলত যোগদান কৰি বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থীপ্ৰদ্যুৎ বৰদলৈক সমৰ্থন দিয়াৰ কথা স্পষ্ট কৰাৰ পিছত আজি মৰিগাঁও জিলা জমিয়ত উলামা তথা জন্মলগ্নৰে পৰা দলৰ নেতা তথা জমিয়ত উলামাৰ জিলা সাধাৰণ সম্পাদক ছামছুল হকে মুকলিকৈ দলটিৰ প্ৰধান নেতা বদৰুদ্দিন আজমলৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি কংগ্ৰেছক সমৰ্থন কৰাৰ কথা প্ৰকাশ কৰে। কংগ্ৰেছক মুকলি সমৰ্থন দি নেতা জনে এআইইউডিএফ প্ৰধান বদৰুদ্দিন আজমলে কেৱল ধৰ্মৰ নামত সাম্প্ৰদায়িক ৰাজনীতি কৰিছে। জমিয়ত উলেমাৰ নীতি আদৰ্শৰ বিপৰীতে গৈ দলটিয়ে বিজেপিৰ বি টিম হৈ কাম কৰিছে। মুখ্যমন্ত্ৰীৰ লগত আজমলৰ গোপন বুজাবুজি আছে। ৭০ শতাংশ মিঞা ভোট থকা নগাঁৱত আমিনুল ইছলামক প্ৰাৰ্থী প্ৰক্ষেপ কৰি মিঞাক ভোট দিব লাগে বুলি কোৱা আজমলে নিজে কিয় হোজাই,কাজিৰঙা এৰি ধুবুৰীৰ পৰা নিৰ্বাচন খেলে।সত সাহস আছে যদি তেওঁ নিজ সমষ্টি হোজাইৰ পৰা নিৰ্বাচন খেলক বুলি জমীয়ত নেতা জনে সাংবাদিকৰ আগত মন্তব্য দিয়ে। ইপিনে নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত এ আই ইউ ডি এফৰ প্ৰতিষ্ঠাৰ পৰা সংগ দিয়া জমিয়তে এনেদৰে কংগ্ৰেছ দলক দিয়া সমৰ্থনে আমিনুল ইছলামৰ ক্ষতি কৰিব বুলি ধাৰণা কৰা হৈছে।

# ইউপিপিএলত যোগদান কৰাৰ পিছতে সক্ৰিয় প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম

## লাখৰ ব্যৱধানত এনডিএ প্ৰাৰ্থী বিজয়ী হোৱাৰ দাবী

**ই-সংবাদ, কোকৰাঝাৰ, ২৪ এপ্ৰিলঃ-** বিপিএফ ত্যাগ কৰি ইউপিপিএল দলত যোগদান কৰাৰ পিছতে সক্ৰিয় হৈ পৰিছে প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম। আজি প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই পৰ্বতঝোৰা এলেকাত ইউপিপিএলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। আজি কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বাশবাৰীত কোকৰাঝাৰ লোকসভা সমষ্টিৰ ইউপিপিএলৰ তথা এনডিএৰ সমৰ্থিত প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ চলোৱা নিৰ্বাচনী সভাত প্ৰাক্তন মন্ত্ৰী গৰাকীয়ে কয় যে ১নং কোকৰাঝাৰ লোকসভা সমষ্টিত বিগত ১০ বছৰে চলি থকা সাম্প্ৰদায়িক ৰাজনীতিৰ এইবাৰ যৱনিকা পৰিব। তেওঁ কয়-কোকৰাঝাৰ লোকসভা সমষ্টিত ভোটাৰ ৰাইজে চৌদিশে ইউপিপিএল দলৰেই জয়গান গোৱা পৰিলক্ষিত হৈছে। হাজাৰৰ ঘৰত নহয় তিনি লাখ ব্যৱধানত জয়ন্তবসুমতাৰী বিজয়ী হোৱাটো নিশ্চিত৷ বিগত ১০ বছৰে নব কুমাৰ শৰণীয়াই সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই আৱেগৰ ভোট লাভ কৰি বিজয়ী হৈছিল আৰু এতিয়া সেই সাম্প্ৰদায়িক ৰাজনীতি নাই৷ বড়ো-অনাবড়ো কৰি বিটিআৰবাসী কেতিয়াও আগুৱাই যাব নোৱাৰে৷ বিগত ১০ বছৰে আমি জাতিভেদ,জাতি বিবাদ কৰি আমি বহু পিছুৱাই থাকিলোঁ। আমাৰ মাজত এটা সন্দেহৰ ভাব সৃষ্টি হৈছিল এই মনোভাব এইবাৰ একেবাৰে যে শেষ হ’ল আৰু ইয়াৰ অন্ত পৰাৰ বহুত প্ৰয়োজন আছিল। ইয়াৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ইউপিপিএল দলৰ সভাপতি প্ৰমোদ বড়ো সঁচাকৈ ধন্যবাদৰ পাত্ৰ বুলি উল্লেখ কৰে প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই৷ তদুপৰি দৰং-ওদালগুৰিত বিজেপিৰ প্ৰাৰ্থী দিলীপ শইকীয়া বিজয়ী হোৱাৰ বিপৰীতেকোকৰাঝাৰতো ইউপিপিএলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰী বিজয়ী হ’ব বুলি মন্তব্য কৰি চন্দন ব্ৰহ্মই বিটিআৰৰ সংখ্যালঘু ভোটো এইবেলি ইউপিপিএলে পাব বুলি দাবী কৰিছে চন্দন ব্ৰহ্মই। উল্লেখ্য যে পৰ্বতঝোৰা মহকুমা ইউপিপিএল দলৰ সাধাৰণ সম্পাদক চেলিম আহমেদ খানে সভাপতিত্ব কৰা সভাখনত বিজেপিৰ সক্ৰিয় নেতা তথা প্ৰাক্তন বিধায়ক বনেন্দ্ৰ মুছাহাৰীয়েও অংশগ্ৰহণ কৰে। পৰ্বতঝোৰা মহকুমাৰ টিপকাই, বাশবাৰী আৰু ৰূপসীত ইউপিপিএল দলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে৷

## মৈৰাবাৰীত চাচা-মামাক একেলগে ব্ৰহ্মপুত্ৰত উটুৱাই দিয়াৰ সংকল্প

# মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজমল চাচাৰ পিঠি খজুৱাই দিয়ে

**ই সংবাদ, মৈৰাবাৰী, ২৪ এপ্ৰিলঃ** মাজত মাত্ৰ এটা দিন বাকী। পূৰ্বৰ তুলনাত এইবাৰ ৯ নং নগাঁও লোকসভা সমষ্টিটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এইবাৰ নিৰ্বাচনত সকলো দলৰে নেতাৰ সোত বৈছে নগাঁৱৰ সংখ্যালঘু অঞ্চল মৈৰাবাৰীত। মুখ্যমন্ত্ৰীৰ বাহিৰে কোনো এজন নেতা নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে অহা বাদ পৰা নাই। আজি লাহৰীঘাটত বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰৰ উদ্দেশ্যি উপস্থিত হয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। বিজেপিৰ নিৰ্বাচনী প্ৰচাৰক প্ৰত্যাহ্বান জনাই মৈৰাবাৰী ইন্দিৰা গান্ধী খেলপথাৰত বিৰোধী ঐক্য মঞ্চই এক বিশাল নিৰ্বাচনী সভাৰ আয়োজন কৰে। বিৰোধী ঐক্য মঞ্চৰ নেতা ক্ৰমে কংগ্ৰেছৰ ভূপেন বৰা, গৌৰৱ গগৈ, প্ৰদ্যুৎ বৰদলৈ, আনোৱাৰ হুছেইন,ৰাইজৰ দলৰ অখিল গগৈ, মেহেবুব মুক্তাৰকে আদি কৰি বিভিন্ন সমৰ্থনকাৰী দলৰ আন কেইবাজনো নেতাই নগাঁৱৰ প্ৰাৰ্থী জনৰ হৈ ভোট বিচাৰি আহ্বান জনায়। পাঁচ হেজাৰৰো অধিক লোক উপস্থিত থকা সভাখনত মঞ্চত উঠিয়ে অখিল গগৈয়ে বিজেপি আৰু এ আই ইউ ডি এফৰ বিৰুদ্ধে সৰৱ হোৱা পৰিলক্ষিত হয়। নেতা জনে মুখ্যমন্ত্ৰীয়ে আজমলৰপিঠি খজুৱাই দিয়ে, চাচা আৰু মামা দুয়োজনেই একো একোজন সাম্প্ৰদায়িক ঘৃণা বিয়পোৱা ব্যক্তি বুলি উল্লেখ কৰি চাচা আৰু মামাক এইবাৰ ৰাইজে একেলগে ব্ৰহ্মপুত্ৰত উটুৱাই দিবলৈ ব্যঙ্গ আকাৰে আহ্বান জনায়। আনহাতে বিজেপি প্ৰাৰ্থী সুৰেশ বৰাই এটা সময়ত নগাঁৱৰ প্ৰত্যেকজন ব্যৱসায়ীকে বন্দুকৰ ভয় দেখুৱাই হাৰাশাস্তি কৰিছে গতিকে নগাঁৱৰ লোকে সুৰেশ বৰাক ভোট নিদিয়ে বুলিও উল্লেখ কৰে। ইপিনে গৌৰৱ গগৈয়ে ৰাইজৰ আগত কয় যে মোৰ খুড়া দ্বীপ গগৈক ধিঙৰ ৰাইজে ভোট দি সাংসদ বনাইছে গতিকে ধিং-মৈৰাবাৰী অঞ্চলৰ ৰাইজৰ প্ৰতি মোৰ আস্থা আছে এইবাৰো কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৰাকীক ভোট দি জয়ী কৰাব। আনহাতে কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই ভাষা আন্দোলনৰ শ্বহীদৰ কথা সোঁৱৰাই কয় যে ভাষা আন্দোলনত বহু জনজাতি, সম্প্ৰদায়ৰ লোকে প্ৰাণ আহুতি দিছে আৰু সেই ভাষা আন্দোলনৰ শ্বহীদ সকলক বিজেপিয়ে অপমান কৰিছে 'কা' বলৱতৰ দ্বাৰা। ভূপেন বৰাই আৰু কয় যে এই যুঁজ অকল প্ৰদ্যুৎ বৰদলৈৰ যুজঁ নহয়,এই যুঁজ কংগ্ৰেছৰ যুজঁ নহয়। এই যুঁজ অসমৰ অসমীয়াৰ স্বাৰ্থত, অসমৰ ভৱিষ্যত প্ৰজন্মৰ স্বাৰ্থত, ভাতৃত্ববোধৰ স্বাৰ্থত চলা এটা যুজঁ। আমি সকলোৱে মিলি এই যুঁজত জয়ী কৰাই প্ৰদ্যুৎ বৰদলৈক জিকাই দিল্লীলৈ পঠাব লাগিব বুলি ৰাইজক সম্বোধন কৰে।



## প্ৰচাৰৰ অন্তিমটো দিনত শক্তি প্ৰদৰ্শন বিজেপি-ইউপিপিএলৰ

# অহা ৫০ বছৰলৈ শাসনলৈ নাহে কংগ্ৰেছ চৰকাৰঃ মুখ্যমন্ত্ৰী



**ই-সংবাদ, ওদালগুৰি, ২৪ এপ্ৰিলঃ** আগন্তুক ২৬ এপ্ৰিল তাৰিখে অনুষ্ঠিত হবলগীয়া দৰং-ওদালগুৰি লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে আজি আছিল অন্তিমটো দিন। অন্তিমটো দিনত লোকসভা সমষ্টিটোৰ কেইৰাটাও স্থানত বিজেপিয়ে শক্তি প্ৰদৰ্শন কৰে। একাধিক স্থানত নিৰ্বাচনী প্ৰচাৰত অংশ লয় ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকী। "ৰাইজৰ উৎসাহ উদ্দীপনা দেখি মই নিশ্চিত যে দিলীপ শইকীয়া এইবাৰ চাৰি লাখ ভোটৰ ব্যৱধানত জয়ী হব।" এই মন্তব্য ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি মুখ্যমন্ত্ৰী শৰ্মাই ওদালগুৰিৰ মাজবাটত বিজয় সংকল্প সমাৱেশত উপস্থিত হৈ এই মন্তব্য প্ৰদান কৰে। লগতে তেওঁ কয়, "বিটিআৰত আজি গুলী বাৰুদ নাই, বিটিআৰত আজি আন্দোলন নাই। দুখীয়া ৰাইজে আজি কাম কৰি খাব পৰা হৈছে। নৰেন্দ্ৰ মোদীৰ বাবেই বিটিআৰলৈ শান্তি উভতি আহিল। কটা হাতৰ কাম নাই, কটা হাতে একো কৰিব নোৱাৰে। ঠিক তেনেদৰে নাঙলৰো বৰ্তমান দাম নাই, কিয়নো আজিকালি খেতি কৰিবলৈ মানুহে নাঙলৰ সলনি ট্ৰেক্টৰ ব্যৱহাৰ কৰিব ধৰিছে। গতিকে অহা নিৰ্বাচনত সকলোৱে পদুমফুলৰ ছবিত ভোট দি দিলীপ শইকীয়াক জয়ী কৰাওঁক আৰু আপোনালোকৰ সমস্যাবোৰ সমাধান কৰক।" মুখ্যমন্ত্ৰী গৰাকীয়ে তেখেতৰ ভাষণত পূৰ্বে উল্লেখ কৰা ধৰণে বিভিন্ন আচনিসমূহৰ সফলতাৰ কথা প্ৰকাশ কৰি আগন্তুক দিনত চৰকাৰী চাকৰিৰ ক্ষেত্ৰত চাহ বাগিচাৰ লোকৰ বাবে ৩ শতাংশ সংৰক্ষণ কৰা হব বুলিও উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতিগৰাকী ভোটদাতাক পুৱাতেই ভোটদান কাৰ্য সমাপন কৰাৰ বাবে "পেহেলে ভোটদান, বাদমে জলপান" শীৰ্ষক সংলাপেৰে আহ্বান জনায়। আগন্তুক ৫০ বছৰত অসমত কংগ্ৰেছৰ চৰকাৰ নাহে বুলি উল্লেখ কৰি বিপিএফফ দলক দলীয় প্ৰতীক নাঙলৰ ছবিটো সলনি কৰাৰ পৰামৰ্শ দিয়ে মুখ্যমন্ত্ৰী গৰাকীয়ে। ইফালে আজি প্ৰচাৰৰ অন্তিম মূহুৰ্তত ওদালগুৰি চহৰত বিজেপি, ইউপিপিএল, অগপ কাৰ্যকৰ্তাৰ সমৰ্থকসকলে উপস্থিতিত এক ৰোড শ্ব'তউলিওৱা হয়। ওদালগুৰি চহৰৰ মাজমজিয়াৰে উক্ত ৰোড শ্ব'ত এনডিএৰ প্ৰাৰ্থী দিলীপ শইকীয়াক সঙ্গ দিয়ে বিটিআৰৰ প্ৰধান প্ৰমোদ বড়ো, কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাকে ধৰি তিনিওটা দলৰ কেইৱাগৰাকী জেষ্ঠ্য নেতাই। অনুষ্ঠানত সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰি দিলীপ শইকীয়াই কয়, "ৰাইজৰ উৎসাহ-উদ্দীপনাক মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। সকলোৱে নৰেন্দ্ৰ মোদীক পুনৰবাৰ প্ৰধানমন্ত্ৰী হোৱাটো কামনা কৰিছে। ৰাইজৰ মনৰ ভিতৰতে ভিতৰতে মোদী সোমাই আছে। সমাজৰ সকলো শ্ৰেণীৰ লোককে মোদীয়ে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। যাৰ বাবে দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিজেপিৰ সৈতে কোনো দলেই প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব নোৱাৰে। ইয়াত বিজেপিৰ জয় নিশ্চিত।" সি যি কি নহওঁক অহা ২৬ এপ্ৰিলত ইভিএমত সোমাই পৰিব প্ৰাৰ্থীৰ ভাগ্য। ভোটগণনাৰ পাছতহে কোনে শেষ হাঁহি মাৰিব সেয়া হ'ব লক্ষণীয়।

## ডানিয়েল মাৰ্ডিৰ বিস্ফোৰণ

# অবড়ো সুৰক্ষা সমিতি প্ৰতাৰক, কংগ্ৰেছ-বিজেপি দুৰ্নীতিগ্ৰস্ত দল



**ই-সংবাদ, তামুলপুৰ, ২৪ এপ্ৰিলঃ** দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিনলৈ মাজত মাথো দুটা দিন বাকী থকা অৱস্থাতে আজি তামুলপুৰত দৰং ওডালগুৰি লোকসভা সমষ্টিৰ শক্তিশালী আৰু একমাত্ৰ নিৰ্দলীয় প্ৰাৰ্থী ডানিয়েল মাৰ্ডিয়ে তেওঁৰ বিজয় নিশ্চিত বুলি দাবী কৰাৰ লগতে দুটা ৰাষ্ট্ৰীয় দল কংগ্ৰেছ আৰু বিজেপিক ক্ষুৰধাৰ সমালোচনা কৰি দুয়োটা দলকে দুৰ্নীতিগ্ৰস্ত দল বুলি অভিযোগ কৰে৷ সেয়ে সমাগত নিৰ্বাচনত ৰাইজে তেওঁক কমেও দুই লাখৰো অধিক ভোটৰ ব্যৱধানত বিজয়ী কৰাব বুলি দাবী কৰে৷ তামুলপুৰত তেওঁ সাংবাদিকৰ আগত অবড়ো সুৰক্ষা সমিতিকো তুলাধুনা দিয়াৰ লগতে যোগেশ্বৰ কলিতা নৃতৃত্বাধীন অবড়ো সুৰক্ষা সমিতিক প্ৰতাৰক আখ্যা দিয়ে৷ তেওঁ অভিযোগ কৰে যে অবড়ো সুৰক্ষা সমিতিৰ ফালৰ পৰা ডানিয়েল মাৰ্ডিক দৰং-ওদালগুৰি লোকসভা সমষ্টিত প্ৰক্ষেপ কৰিছিল যদিও পিছত প্ৰতাৰণা কৰি কংগ্ৰেছ দলক সমৰ্থন কৰে অবড়ো সুৰক্ষা সমিতিয়ে। সেয়ে এনে প্ৰতাৰক সকলক ৰাইজে চিনাক্ত কৰি ৰখা উচিত বুলিও তেওঁ মন্তব্য কৰে৷ নিৰ্দলীয় প্ৰাৰ্থী গৰাকীয়ে সাংবাদিকক জনোৱা মতে তেওঁৰ প্ৰতীক চিহ্ন ট্ৰাকত উঠিয়ে তেওঁ সেইদিনা ভোট কেন্দ্ৰলৈ ভোট দিবলৈ যাব৷ নিৰ্বাচনত জয়ী হলে দৰং-ওদালগুৰি লোকসভা সমষ্টিত ভূমিৰ অধিকাৰ সুৰক্ষি কৰা, নিবনুৱা সমস্যা দূৰীকৰণ কৰা আৰু মূল্য বৃদ্ধি ৰোধ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কাম কৰি যাব বুলি জানিবলৈ দিয়ে।




# অন্তৰ্বাসৰ ভিতৰত ভৰাই হীৰা সোণ সৰবৰাহ, জালত ৪ যাত্ৰী

**মুম্বাই, ২৪ এপ্ৰিলঃ** আজৰ কৌশল অৱলম্বন কৰি নুডলছৰ পেকেট আৰু অন্তৰ্বাসৰ ভিতৰত হীৰা আৰু সোণ ভৰাই সৰবৰাহৰ প্ৰয়াস কৰাৰ সময়তে বিমান বন্দৰত শুল্ক বিভাগৰ তালাচীত ধৰা পৰিল সৰবৰাহকাৰী। সোমবাৰে শুল্ক বিভাগে জাৰি কৰা এক বিবৃতি অনুসৰি মুম্বাই বিমানবন্দৰত নুডলছৰ পেকেট আৰু অন্তৰ্বাসৰ ভিতৰত ভৰাই ৬.৮ কেজি সোণ আৰু প্ৰায় ২ কোটি টকা মূল্যৰ হীৰা সৰবৰাহ কৰাৰ সময়তে গ্ৰেপ্তাৰ হয় চাৰিজন বিমান যাত্ৰী। শুল্ক বিভাগে প্ৰকাশ কৰা মতে, প্ৰথমে মুম্বাইৰ পৰা বেংককলৈ যোৱা এজন ভাৰতীয় নাগৰিকৰ ট্ৰলী বেগৰ ভিতৰত থকা নুডলছৰ পেকেটত উদ্ধাৰ হয় এটুকুৰা হীৰা। ইয়াৰ পিছতে যাত্ৰীজনক গ্ৰেপ্তাৰ কৰা হয়। একেদৰে একেদৰে কলম্বোৰ পৰা মুম্বাইলৈ যোৱা এজন বিদেশী নাগৰিকৰ তালাচীৰ সময়ত অন্তৰ্বাসত ভৰাই অনা অৱস্থাত ৩২১ গ্ৰাম ওজনৰ এটা সোণৰ বিস্কুট জব্দ কৰা হয়। ইয়াৰ উপৰিও ডুবাই আৰু আবুধাবিৰ পৰা দুজনকৈ আৰু বাহৰেইন, দোহা, ৰিয়াদ, মাস্কাট, বেংকক আৰু ছিংগাপুৰৰ পৰা অহা এজনকৈ ভাৰতীয় নাগৰিকৰ পৰাও মুঠ ৬.১৯৯ কিলোগ্ৰাম সোণ জব্দ কৰা হয়। এই সোণ সৰবৰাহৰ অভিযোগত শুল্ক বিভাগে বিমান বন্দৰৰ পৰাই তিনিজনক গ্ৰেপ্তাৰ কৰে।প্ৰকাশ কৰে ।




নিৰ্বাচনী প্ৰচাৰৰ মাজতে মহাৰাষ্ট্ৰত হঠাতে মঞ্চতে ঢলি পৰিল কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নীতিন গাডকাৰী

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান